**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

০০০০০০০

১। উত্তৰ প্ৰদেশৰ গোণ্ডাত কালি হোৱা ৰে'ল দুৰ্ঘটনাত নিহত লোকৰ সংখ্যা ৪ লৈ বৃদ্ধি পাইছে।

২। চি বি আয়ে নীট ইউজিৰ প্ৰশ্ন কাকত ফাদিল গোচৰ সংক্ৰান্তত ৰাঁচি চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানৰ এগৰাকী শিক্ষাৰ্থীক গ্ৰেপ্তাৰ কৰিছে।

৩। নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচনত জয়লাভ কৰা ৰাজ্যৰ ৫গৰাকী বিধায়কে প্ৰতিনিধিত্ব কৰা ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচন বাবে ভোটাৰ তালিকাৰ সংশোধনৰ সময়সীমা নিৰ্ধাৰণ কৰিছে।

৪। বাংলাদেশত সংৰক্ষণ বিৰোধী প্ৰতিবাদত নিহত লোকৰ সংখ্যা ৩৯লৈ বৃদ্ধি পাইছে।

আৰু

৫। মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগীতা আজি শ্ৰীলংকাৰ ডাম্বুলাত আৰম্ভ হ'ব।

০০০০০০

উত্তৰ প্ৰদেশৰ গোণ্ডাত কালি হোৱা ৰে'ল দুৰ্ঘটনাত নিহত লোকৰ সংখ্যা ৪ লৈ বৃদ্ধি পাইছে। দুৰ্ঘটনাত আহত এজন লোকৰ আজি চিকিৎসালয়ত মৃত্যু ঘটে আৰু ৰে'ল পথৰ পৰা বাগৰি পৰা ডবাৰ পৰা অন্য এটা শদেহ উদ্ধাৰ হয়। অন্য দুজন আহতৰ অৱস্থা সংকটজনক বুলি কোৱা হৈছে। ৰে'ল বিভাগৰ পৰা লাভ কৰা তথ্য অনুসৰি কালি বিয়লি ডিব্ৰুগড় অভিমুখী চণ্ডীগড়-ডিব্ৰুগড় এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ ২১টা ডবা লাইনৰ পৰা বাগৰি পৰিছিল আৰু ৩০জন লোক আহত হৈছিল। লক্ষ্ণৌ-গুৱাহাটী মূল ৰে'লপথেৰে ৰে'ল চলাচল পুনৰ আৰম্ভ কৰাৰ বাবে মেৰামতিৰ কাম পূৰ্ণ গতিত চলি আছে। ৰে'ল পথছোৱাৰে চলাচল কৰা কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰাপথ সলনি কৰা হৈছে।

০০০০০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আয়ে চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নাম ভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰবেশ পৰীক্ষা নীট ইউজিৰ প্ৰশ্ন কাকত ফাদিল গোচৰ সংক্ৰান্ত ৰাঁচি চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানৰ এগৰাকী শিক্ষাৰ্থীক গ্ৰেপ্তাৰ কৰিছে। ব্যাপক জেৰাৰ অন্তত ৰাঁচি চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানৰ ২০২৩ বেটছৰ ছাত্ৰী সুৰভি কুমাৰী নামৰ ছাত্ৰীগৰাকী গ্ৰেপ্তাৰ কৰা হয়। চি বি আয়ে ছাত্ৰীগৰাকীৰ মোবাইল, লেপটপ আৰু অন্য বৈদ্যুতিক সঁজুলিসমূহ জব্দ কৰিছে। ঝাৰখণ্ডৰ ৰামগড় জিলাৰ বাসিন্দা সুৰভি কুমাৰীয়ে নীটৰ প্ৰশ্নকাকত ফাদিল কাণ্ডৰ দুৰ্বৃত্তৰ হৈ প্ৰশ্নকাকত সমাধান কৰি দিয়া বুলি অভিযোগ উঠিছিল।

০০০০০০০

নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচনত জয়লাভ কৰা ৰাজ্যৰ ৫গৰাকী বিধায়কে প্ৰতিনিধিত্ব কৰা ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচন বাবে  ভোটাৰ তালিকাৰ সংশোধনৰ সময়সীমা নিৰ্ধাৰণ কৰিছে। সেই অনুসৰি অহা ৩০ জুলাইত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। ৩০ জুলাইৰ পৰা ১০ আগষ্টলৈ দাবী আৰু আপত্তি দাখিল কৰিব পৰা যাব। ৩ আৰু ৪ আগষ্টত বিশেষ অভিযানত দিন ধাৰ্য কৰা হৈছে। নিৰ্বাচন আয়োগে ১৯ আগষ্টৰ ভিতৰত দাবীসমূহ নিস্পত্তি কৰি ২০ আগষ্টত চূড়ান্ত ভোটাৰ তালিক প্ৰকাশ কৰিব।

উপ-নিৰ্বাচন হ'বলগীয়া সমষ্টিকেইটা হৈছে – ধলাই, চিদলি, বঙাইগাঁও, বিহালী আৰু চামগুৰি।

ooooo

ৰাষ্ট্ৰীয় তদন্ত সংস্থা এন আই এয়ে এটা  সন্ত্ৰাসবাদী নেটৱৰ্কক অস্ত্ৰ-শস্ত্ৰ যোগান ধৰা গোচৰ সংক্ৰান্তত খালিস্তানী সন্ত্ৰাসবাদী লখবীৰ সিং সন্ধু ওৰফে লাণ্ডাৰ এজন ঘনিষ্ঠ সহযোগীক  গ্ৰেপ্তাৰ কৰিছে। ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাটোৱে কালি মধ্যপ্ৰদেশৰ বাদৱানী জিলাৰ পৰা বলজিৎ সিঙক গ্ৰেপ্তাৰ কৰে। ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাটোৰ মতে বলজিৎ সিঙ পাঞ্জাবত লাণ্ডাৰ এজেণ্টক অন্যতম অস্ত্ৰ-শস্ত্ৰ যোগানকাৰী বুলি গণ্য কৰা হয়। এই অস্ত্ৰ-শস্ত্ৰসমূহ ডাঙৰ ব্যৱসায়ীৰ  পৰা বলপূৰ্বকভাবে ধন আদায়কে ধৰি ব্যাপক সন্ত্ৰাসবাদী কাৰ্যকলাপত  ব্যৱহাৰ কৰা হৈছিল। বলজিৎ সিঙে খালিস্তানী সন্ত্ৰাসবাদী সৎনাম সিঙ সত্তাকো অস্ত্ৰ-শস্ত্ৰ যোগান ধৰিছিল বুলি  তদন্তকাৰী সংস্থাটোৱে সদৰী কৰিছে। সংস্থাটোৱে ইয়াক পাঞ্জাব আৰু অন্য স্থানত হিংসাত্মক কাৰ্যকলাপৰ জৰিয়তে দেশক অস্থিৰ কৰি তুলিব বিচৰা বিভিন্ন নিসিদ্ধ ঘোষিত খালিস্তানী সন্ত্ৰাসবাদী সংগঠনৰ ষড়যন্ত্ৰ আখ্যা দিছে। এন আই এয়ে কৈছে যে লাণ্ডা আৰু চত্তা উভয়ে বিদেশৰ পৰা দেশত সন্ত্ৰাসবাদ বিয়পোৱাৰ ঘটনাত জৰিত থকা বুলি সন্দেহ কৰা হয়।

ooooo

বাংলাদেশত সংৰক্ষণ বিৰোধী প্ৰতিবাদত নিহত লোকৰ সংখ্যা ৩৯লৈ বৃদ্ধি পাইছে। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি চৰকাৰী চাকৰিৰ বাবে সংৰক্ষণ ব্যৱস্থাৰ সংস্কাৰৰ দাবী জনাই বিদ্যাৰ্থীসকলে সাব্যস্ত কৰা প্ৰতিবাদে দেশখনত হিংসাত্মক ৰূপ ধাৰণ কৰিছে। দেশখনত অশান্ত পৰিস্থিতিৰ বাবে টেলিভিছন নিউজ চেনেলৰ সম্প্ৰচাৰ বন্ধ কৰা হৈছে, দূৰসংযোগ ব্যৱস্থা ব্যাহত হৈছে আৰু কেইবাখনো বাতৰি কাকতৰ ৱেব ছাইট আৰু ছ'চিয়েল মিডিয়া একাউণ্ট নিষ্ক্ৰিয় কৰা হৈছে। প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত মোবাইল ইণ্টাৰনেট সেৱাও সাময়িকভাৱে বন্ধ ৰখা হৈছে। দেশখনৰ আইন মন্ত্ৰী অনিছুল হকে কৈছে যে চৰকাৰ প্ৰতিবাদকাৰীসকলৰ সৈতে আলোচনা কৰিবলৈ ইচ্ছুক। ঢাকাত থকা ভাৰতীয় উচ্চায়োগে ইয়াৰ নাগৰিকসকলক স্থানীয় ভ্ৰমণৰ পৰা  বিৰত থাকিবলৈ আৰু প্ৰয়োজন নহ'লে বাসগৃহৰ পৰা বাহিৰলৈ নোলাবলৈ পৰামৰ্শ আগবঢ়াইছে। বিদেশ মন্ত্ৰালয়ে সামাজিক মাধ্যমযোগে বাংলাদেশত বাসকৰা ভাৰতীয় নাগৰিকসকলক ঢাকাত থকা উচ্চায়োগে জাৰি কৰা পৰামৰ্শাৱলী মানি চলিবলৈ অনুৰোধ জনাইছে।

ইপিনে ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্ট'নিঅ' গুটেৰেছে বাংলাদেশৰ হিংসাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰসংঘৰ মূৰববীগৰাকীৰ মুখপাত্ৰই কৈছে যে শ্ৰীগুটেৰেছে দেশখনৰ ঘটনাৱলী সুক্ষ্মভাৱে অনুসৰণ কৰি আছে আৰু ঢাকাৰ কৰ্তৃপক্ষসমূহৰ বৰ্তমানৰ প্ৰত্যাহ্বানৰ সমাধানসূত্ৰ উলিয়াবলৈ যুৱপ্ৰজন্মৰ সৈতে কাম কৰিবলৈ আহ্বান জনাইছে।

oooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৮ জুলাইত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাতৰ পৰৱৰ্তী খণ্ডৰ বাবে জনসাধাৰণৰ পৰা ভালেসংখ্যক পৰামৰ্শ লাভ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে

কৈছে যে তেওঁ মন কী বাত অনুষ্ঠানৰ আসন্ন খণ্ডৰ বাবে যথেষ্ট পৰামৰ্শ লাভ কৰিছে। প্ৰধানমন্ত্ৰীয়ে কৈছে যে সমাজৰ সংস্কাৰৰ লক্ষ্যৰে ভালেসংখ্যক যুৱক-যুৱতীয়ে সমূহীয়া প্ৰচেষ্টাত আলোকপাত কৰা দেখা পাই তেওঁ সুখী হৈছে। শ্ৰীমোদীয়ে জনসাধাৰণক মাই গভ্, নমো এপযোগে দিহা পৰামৰ্শ আগবঢ়াবলৈ আ হ্বান জনাইছে। তেওঁ লগতে ১৮০০১১৭৮০০ নম্বৰত ফোন কৰি বাৰ্তা বাণীবদ্ধ কৰিবলৈও জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইউৰোপীয় আয়োগৰ অধ্যক্ষ হিচাপে পুনৰ নিৰ্বাচিত হোৱা বাবে উৰ্ছুলা-ৱ'ন ডেৰ লেএনক অভিনন্দন জনাইছে। শ্ৰীমোদীয়ে সামাজিক মাধ্যমযোগে কৈছে যে তেওঁ বিশ্বৰ ভালৰ বাবে কৌশলগত সহযোগিতা সুদৃঢ় কৰা উদ্দেশে একেলগে কাম কৰিবলৈ আগ্ৰহেৰে বাট চাই আছে। ইউৰোপীয় আয়োগৰ অধ্যক্ষ হিচাপে এয়া ৱ'ন ডেৰ লেএনৰ দ্বিতীয় কাৰ্যকাল হ'ব।

০০০০০

ডনাল্ড ট্ৰাম্পে আমেৰিকা যুক্তৰাষ্ট্ৰৰ মীলৱাউকিত অনুষ্ঠিত ৰিপাব্লিকান ৰাষ্ট্ৰীয় সন্মিলনত দিয়া ৰাজহুৱা ভাষণত আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে মনোনয়ন গ্ৰহণ কৰে। যোৱা সপ্তাহত ট্ৰাম্পক এজন বন্দুকধাৰী আততায়ীয়ে হত্যাৰ চেষ্টা কৰা পাছত ট্ৰাম্পৰ এইটো প্ৰথম ৰাজহুৱা ভাষণ। চাৰিদিনীয়া  সন্মিলনখনত ৰিপাব্লিকান দলত প্ৰাক্তন ৰাষ্ট্ৰপতি ট্ৰাম্পৰ আধিপত্য আৰু বিনাপ্ৰতিদ্বন্দ্বীতাত আলোকপাত কৰা হয়। যোৱা বুধবাৰে ৰিপাব্লিকান ৰাষ্ট্ৰীয় কমিটিৰ প্ৰতিনিধিসকলৰ মাজত সংখ্যাগৰিষ্ঠ ভোট লাভ কৰাৰ পাছত প্ৰাক্তন ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পক ৰিপাব্লিকান দলৰ পৰা ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে মনোনীত কৰা হয়।

০০০০০০

চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পৰহিলৈ এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিয়াৰ বাবে সকলো ধৰণৰ সহযোগিতা কামনা কৰিব। বাজেট অধিবেশন ২২ জুলাইৰ পৰা ১২ আগষ্টলৈ অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় বাজেট ২৩ জুলাইত সদনত দাখিল কৰা হ'ব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত সংসদৰ উভয় সদনৰ যুঁটীয়া বৈঠকক সম্বোধন কৰি এইবাৰৰ বাজেট চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ নথি হ'ব বুলি প্ৰকাশ কৰিছিল।

০০০০০০

মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগীতা আজি শ্ৰীলংকাৰ ডাম্বুলাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ আটাইকেইখন খেল ৰনগিৰি ডাম্বুলা আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত খেলোৱা হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলখন আজি গ্ৰুপ এৰ দল নেপাল আৰু ইউ এ ইৰ মাজত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ২ বজাত আৰম্ভ হ'ব। ইয়াৰ পাছত সন্ধিয়া ৭ বজাত যোৱাবাৰৰ চেম্পিয়ন ভাৰত গ্ৰুপ এৰ আন এখন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাত ভাৰতক পাকিস্তান, নেপাল আৰু ইউ এ ইৰ সৈতে গ্ৰুপ 'এ'ত স্থান দিয়া হৈছে। আনহাতে আয়োজক দেশ শ্ৰীলংকা, বাংলাদেশ, থাইলেণ্ড আৰু মালয়েছিয়াক গ্ৰুপ বিত অন্তৰ্ভুক্ত কৰা হৈছে। দুয়োটা গ্ৰুপৰ শীৰ্ষৰ দল দুটাৰ মাজত ২৬ জুলাইত ছেমি ফাইনেল অনুষ্ঠিত হ'ব। আনহাতে, ফাইনেল খেলখন ২৮ জুলাইত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ভাৰত ২০১৮ চনৰ বাহিৰে প্ৰতিযোগিতাৰ আটাইকেইটা সংস্কৰণতে জয়ী হৈছে।

০০০০০০০

সমাপ্ত